**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2025
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এছ্ আই টিৰ অভিযোগনামা দাখিল।

২। বি টি আৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ।

৩। অৰুণাচল প্ৰদেশৰ আনজাওৰ পথ দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী বিমল বৰাৰ উদ্ধাৰ অভিযান নিৰীক্ষণ।

৪। বঙাইগাঁও জিলাৰ কেৰখাবাৰীত জিলা প্ৰশাসনৰ ৭৫ বিঘা ভূমি দখলমুক্ত। ***আৰু***

৫। ভাৰতীয় খাদ্য নিগমৰ ধেমাজিৰ গুদামত চাউল কেলেংকাৰীৰ তদন্তৰ দাবীত অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদী কাৰ্যসূচী।

ooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে আজি গোচৰটো সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। এছ্ আই টিৰ দলে আজি দিনৰ ১১ বজাত কেইবাহাজাৰ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দীপন গাৰ্গৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ্ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল।

অভিযোগনামা সন্দৰ্ভত এছ্ আই টিৰ মুৰববী আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

নিৰ্ধাৰিত সময়ৰ ভিতৰত এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা দাখিল সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এতিয়া আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব।

**ৰাইট (চি এম)**

০০০০০

বি টি আৰত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত বি টি আৰৰ ৫ খন জিলাৰ ৪ লাখ ১২ হাজাৰ মহিলাক সামৰি লোৱা হৈছে। অৰুণোদয় আঁচনিত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে। কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীণফিল্ডত এই উপলক্ষে আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত অৰুণোদয় আঁচনিক ৰাজ্যৰ আটাইতকৈ বৃহৎ দৰিদ্ৰতা দূৰীকৰণ আঁচনি বুলি উল্লেখ কৰি কয়, যে ২০২০ চনত এই আঁচনি মুকলি হোৱাৰ পাছৰে পৰা বিগত ৫ বছৰত ৩৮ লাখ মহিলাক সামৰি লোৱা লৈছে। এই আঁচনিৰ বাবে ৰাজ্যৰ মহিলাসকল শক্তিশালী হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই বিটিআৰৰ মহিলাসকলক অহা ২০ জানুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে নিযুত মইনা আঁচনিৰ দৰে ছাত্ৰসকলৰ বাবেও একেধৰণৰ এখন আঁচনি মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে।

আজিৰ অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বি টি আৰৰ প্ৰতিখন জিলাতে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আৰম্ভণি উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ অন্যতম ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ জৰিয়তে পোনপটীয়া আৰ্থিক সাহায্যৰ সহায়ত মহিলা সবলীকৰণত গুৰুত্ব দিয়া হৈছে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি অসম লোকভৱন সচিবালয়ৰ উপদেষ্টা ড০ হৰিবংশ দীক্ষিতৰ **হম ভাৰত কে ল'গ** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। এই উপলক্ষে আজি বিয়লি লোকভৱনৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত বিশেষ কাৰ্যসূচীৰ অনুষ্ঠিত হয়।

০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বিমল বৰাই আজি অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত কেছাং নুৰুপ ডামু, আৰক্ষী অধীক্ষক থোটান জাম্বা আৰু তেজুৰ $25^{TH}$ ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে লগতে আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে।

**বাইট (বিমল বৰা)**

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি নিহতসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকটাত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়েও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ পৰিয়াললৈ ৫ লাখ টকা এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে।

০০০০০

বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ কেৰখাবাৰীত আজি জিলা প্ৰশাসনে ৭৫ বিঘা ভূমি দখলমুক্ত কৰি চাৰিওপিনে কাঁইটীয়া তাঁৰৰ বেৰ দিয়ে। উল্লেখযোগ্য যে বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰক আৱণ্টন দিয়া এই ভূমিত ৬টা পৰিয়ালে ২০১৩ চনৰ পৰাই বসবাস কৰি আহিছিল। আজি বঙাইগাঁও জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ উপস্থিতিত জিলা প্ৰশাসনে অঞ্চলটোত উচ্ছেদ অভিযান সফলভাৱে সম্পন্ন কৰে।

০০০০০

অনলাইন ট্ৰেডিং কেলেংকাৰীৰ গোচৰৰ প্ৰথমটো শুনানিত অভিযুক্ত চুমি বৰা, তাৰ্কিক বৰা আৰু বিশাল ফুকন আজি চানমাৰিৰ চি বি আইৰ বিশেষ ন্যায়াধীশৰ আদালতত হাজিৰ হয়। আদালতৰ নিৰ্দেশৰ ভিত্তিত তিনি অভিযুক্তই আজি ভাষ্য প্ৰদান কৰে। অৱশ্যে আন এজন অভিযুক্ত অভিজিত চান্দ আদালতত উপস্থিত থকাৰ পৰা বিৰত থাকে। উল্লেখযোগ্য যে অনলাইন ট্ৰেডিং কেলেংকাৰীৰ সন্দৰ্ভত ৰাজ্যত ৪১টাকৈ গোচৰ ৰুজু কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰে এই গোচৰসমূহৰ তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰে।

০০০০০

পশ্চিমবংগৰ হালদিয়াত অহা ১৬ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া ২২ সংখ্যক 'বিশ্ব বাংলা সাহিত্য আৰু সংস্কৃতি উৎসৱ ২০২৬' লৈ অসমৰ কবি অনুপমা দাসক আমন্ত্ৰণ জনোৱা হৈছে। ১৯৮০ চনত 'পান্থপাদপ' নামৰ কাব্য আলোচনীত আত্মপ্ৰকাশ কৰা কবি অনুপমা দাসে **পৃথিৱীৰ সতে মোৰ দিন-ৰাতি, তুমি মোৰ পৃথিৱীৰ, সময়ৰ দস্তাবেজ, কাগজৰ নাও** কাব্যগ্ৰন্থকে ধৰি ৬ খন গ্ৰন্থ ৰচনা কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক শ্ৰীমতী দাসে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগতো দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই গৈছে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰীৰ থুকুবিলত আজি বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। থুকুবিলৰ বিজয় পামৰ পৰা সোণাৰী নগৰলৈ দিন হাজিৰাৰ বাবে যোৱাৰ সময়তে অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা বনৰীয়া হাতীৰ আক্ৰমণত হীৰামণি শৰ্মা নামৰ মহিলাগৰাকীৰ থিতাতে মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ পাছতে সোণাৰী আৰক্ষী আৰু বন বিভাগৰ লোকে ঘটনাস্থলীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। ইফালে বনাঞ্চলৰ পৰা ওলাই অহা আন এটা হাতীয়ে নাফুক খেৰবাৰী অঞ্চলতো জনবসতিপূৰ্ণ অঞ্চলত উপদ্ৰৱ চলাই বুলি আমাৰ চৰাইদেউৰ সংবাদদাতাই জনাইছে। বনৰীয়া হাতীটোৰ আক্ৰমণত এজন লোক গুৰুতৰভাৱে আহত হয়। লোকজনক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

00000

শিলচৰৰ কাটিগড়াত বৰাক নৈৰ ওপৰত থকা গেমন সেতুৰে যান-বাহনৰ চলাচল আজি সন্ধিয়া ৬ বজাৰ পৰা পৰৱৰ্তী ৪৮ ঘণ্টালৈ বন্ধ কৰি দিয়া হৈছে। কাছাৰ জিলা প্ৰশাসনৰ দুৰ্যোগ প্ৰশমন বিভাগে এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে। জৰুৰী মেৰামতিৰ বাবে দলংখন অহা দেওবাৰৰ সন্ধিয়া ৬ বজালৈ বন্ধ কৰি দিয়া হৈছে। জাননীখনত উল্লেখ কৰা মতে বিকল্প পথ হিচাপে কালাইন-খাম্বাৰ বজাৰ-বিহাৰা-বাবুৰবজাৰ-বৰখলা হৈ যান-বাহন চলাচল কৰিব পাৰিব। অৱশ্যে শিলচৰ-কালাইন সংযোগী পথেৰে ১৫ মেট্ৰিক টনৰ অধিক সামগ্ৰী কঢ়িওৱা গধূৰ বাহন চলাচল কৰিব নোৱাৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

00000

আকাশবাণীৰ বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত চিৰাং জিলাত উদ্যোগ আৰু বাণিজ্য বিভাগৰ উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত বিভাগটোৰ ভাৰপ্ৰাপ্ত মহা প্ৰৱন্ধক বিক্ৰম কলিতাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ে।

0000

ভাৰতীয় খাদ্য নিগমৰ ধেমাজী গুদামৰ পৰা ২৬ হাজাৰ ৮০০ বস্তা চাউল হৰলুকি হোৱা ঘটনাৰ চি বি আই তদন্তৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজীৰ কচাৰি ময়দানৰ সন্মুখত এই প্ৰতিবাদী কাৰ্যসূচীত সংগঠন দুটাৰ শতাধিক সদস্যই অংশ লয়। প্ৰতিবাদকাৰীসকলে ভাৰতীয় খাদ্য নিগমৰ লখিমপুৰ কাৰ্যালয়ৰ অন্তৰ্গত গুদামসমূহক তদন্তৰ আওতালৈ অনা, সুলভ মূল্যৰ দোকানীক নিম্ন মানৰ চাউল যোগান আদিকে ধৰি বহুকেইটা বিষয় চিবিআইৰ তদন্তৰ আওতালৈ অনাৰ বাবে দাবী উত্থাপন কৰে।

00000

মৰিগাওঁত আজি সদৌ তিৱা ছাত্ৰ সন্থাই কেইবাটাও দাবীৰ সমৰ্থনত এটা প্ৰতিবাদী সমদল উলিয়ায়। সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত জনজাতীয় বেলট আৰু ব্লকসমূহ সংৰক্ষণৰ বাবে তিৱা ছাত্ৰ সন্থাই চৰকাৰক দাবী জনাইছে। তিৱা স্বায়ত্ত শাসিত পৰিষদীয় চুক্তি অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ছাত্ৰ সন্থাটোৱে দাবী জনায়।

00000

ধুবুৰী জিলাৰ আগমনিৰ জ্যেষ্ঠ সাংবাদিক শ্যামল চন্দ্ৰ ৰায়ৰ আজি পুৱা কোচবিহাৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। সাংবাদিকগৰাকী দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁ

কেইবাটাও সংবাদ প্ৰতিষ্ঠানত সাংবাদিক হিচাপে  কাম কৰাৰ লগতে গোলকগঞ্জ প্ৰেছ ক্লাবৰ সভাপতিও আছিল। তেখেতৰ মৃত্যুত ধুবুৰীৰ কেইবাটাও দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত